ভাল-বেয়া দুয়োটা দিশ বুজি পায়। বিষয় অথবা সমস্যাটোৰ সৈতে খাপ খোৱা অভিজ্ঞতাৰ গৰাকী আৰু বিশ্লেষণ কৰিব পৰা দক্ষতা থকা লোকৰ মতামত সংবাদ মাধ্যমবোৰে প্রচাৰ কৰে। ই সাধাৰণ ব্যক্তিক তথা সমাজখনক নিজৰ ব্যক্তিগত, সামাজিক তথা ৰাষ্ট্রীয় জীৱনক প্রভাৱিত কৰিব পৰা সিদ্ধান্ত গ্রহণ প্রক্রিয়াটো আৰম্ভ কৰাত সহায় কৰে। এই কার্যটোৰ এটা পূর্বচর্ত হ'ল কার্যটো কৰাৰ সময়ত সেই নির্দিষ্ট সমাজ অথবা দেশখনৰ সাধাৰণ পৰিৱেশটো সংবাদ মাধ্যমৰ মতামতৰ পৰা সম্পূর্ণ মুক্ত থাকিব লাগিব। কোনোটো পক্ষই যাতে কোনো দমনমূলক কৌশলৰ অধীনত কোনো জৰুৰী তথ্য লুকুৱাই ৰাখিব নোৱাৰে আৰু আলাপ-আলোচনাবোৰ সম্পূর্ণ মুক্ত হয় তাৰ বাবেই এই পূর্বচর্তটো আৰোপ কৰা হয়। লগতে চৰকাৰকে ধৰি কোনোটো পক্ষই যাতে কোনো সমস্যাৰ ইতিবাচক অথবা নেতিবাচক দিশবোৰ সদৰি কৰাৰ বাবে কাকো পৰিণামৰ ভাবুকি দিব নোৱাৰে তাৰ চর্তও আৰোপ কৰা থাকে। এনে পৰিস্থিতিতহে এখন গণতন্ত্র প্রকৃতার্থত সফলতাৰে বর্তি থাকিব পাৰে। আন এক গুৰুত্বপূর্ণ কথা হ'ল এটা মুক্ত আৰু নিঃসংকোচে কথা ক'ব পৰা পৰিৱেশনত চলা আলোচনাতহে কোনো সমস্যা অথবা উন্নয়নমূলক বিষয়ৰ সকলোবোৰ নেতিবাচক তথা ইতিবাচক দিশ উল্লেখ কৰিব পাৰি। এনে পৰিৱেশনত মতামত ভিন্ ভিন্ হ'লেও এটা সর্বজনগ্রাহ্য সমাধান সূত্র বাহিৰ কৰাটো অসম্ভৱ কথা হৈ নাথাকে। এনে এক মুকলি পৰিস্থিতিতহে সংবাদ মাধ্যমে প্রকৃতার্থত মানুহক লাগতিয়াল তথ্যৰ যোগান ধৰিব পাৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ আন্তঃৰাষ্ট্রীয় ৰাষ্ট্রীয় তথা আঞ্চলিক পর্যায়ত সংবাদ মাধ্যমৰ স্বাধীনতাৰ ছবিখন যাৰ যথেষ্ট বিসদৃশ। আন্তঃৰাষ্ট্রীয় পর্যায়ত সংবাদ মাধ্যমৰ স্বাধীনতাক, 'সম্পূর্ণ মুক্ত', 'আংশিকভাৱে মুক্ত' আৰু 'একেবাৰেই যুক্ত নহয়' শ্রেণীত ভগোৱা হয়। পাশ্চাত্যৰ উত্তৰ তথা পশ্চিম ইউৰোপৰ উন্নত দেশবোৰৰ মাজৰ বহুততে সংবাদ মাধ্যমে সম্পূর্ণ স্বাধীনতা লাভ কৰি সেৱা আগবঢ়াই আছে। উত্তৰ আমেৰিকাৰো বহুকেইখন দেশৰ, প্রধানকৈ কানাডা আৰু আমেৰিকা যুক্তৰাষ্ট্রৰ সংবাদ মাধ্যম স্বাধীন। আংশিকভাৱে মুক্ত অথবা স্বাধীন দেশৰ তালিকাত আছে ভাৰত, পাকিস্তান আৰু ব্রাজিলৰ দৰে দেশবোৰ। এই দেশবোৰত সংবাদ মাধ্যমে একোটা মিশ্রিত পৰিৱেশন লাভ কৰে আৰু যুক্ত অথবা নিয়ন্ত্রণাধীন দুয়োটা দিশৰে সমতা থাকে। 'একেবাৰেই মুক্ত নহয়' শ্রেণীটোত অন্তর্ভুক্ত দেশবোৰৰ ভিতৰত আফ্রিকা মহাদেশৰ 'উন্নয়নশীল দেশবোৰ, এছিয়া মহাদেশৰ বহুকেইখন দেশ (বিশেষকৈ উপসাগৰ অঞ্চল তথা উত্তৰ কোৰিয়া) আৰু দক্ষিণ আমেৰিকাৰ বহুকেইখন দেশ আছে। সমগ্র বিশ্বতে বিগত দুটা দশকত প্রায় ১২০০ সাংবাদিকে বিভিন্ন কাৰণত কর্তব্যৰত অৱস্থাত প্রাণ হেৰুৱাইছে। এইসকলৰ ভিতৰত ডেনিয়েল পার্ল, পৰাগ দাস আৰু কমলা শইকীয়াৰ নাম আমাৰ চিনাকি। ৰাষ্ট্রীয় পর্যায়তো সংবাদ মাধ্যম বিভিন্ন ভাবুকি আৰু নিগ্রহৰ মুখামুখি হৈ আহিছে। আঞ্চলিক পর্যায়তো সংবাদ মাধ্যমৰ স্বাধীনতাৰ অৱস্থা উন্নত বুলিব নোৱাৰি। বিভিন্ন উগ্রপন্থী সংগঠন আৰু মাওবাদী সশস্ত্র গোটবোৰ সক্রিয় হৈ থকা ৰাজ্যবোৰত সংবাদ কর্মীৰ সম্প্রদায়টোৱে সুৰক্ষা বাহিনীৰ ৰোষৰো মুখামুখি হ'বলগীয়া হয়। তথাপিও সংবাদসেৱী সম্প্রদায়টোৱে বর্তমানলৈকে অহৰহ সকলোবোৰ প্রত্যাহ্বানৰ মুখামুখি

হৈ সাধাৰণ ব্যক্তিৰ প্ৰত্যাশা পূৰণৰ চেষ্টা চলাই আহিছে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰোথিত সাংবাদিকতা তুলনামূলকভাৱে এক নতুন সংবাদ পৰিৱেশন ধাৰা। মিত্ৰবাহিনী আৰু ইৰাকৰ মাজত চলা দ্বিতীয় উপসাগৰীয় যুদ্ধৰ সময়ত এই ধাৰাটোৰ উত্থান ঘটিছিল। আমেৰিকান সেনাবাহিনীৰ নেতৃত্বাধীন মিত্ৰবাহিনীয়ে এই ধাৰণাটোক বাস্তৱ ৰূপ দিছিল। তেওঁলোকে যুদ্ধক্ষেত্ৰত স্থাপিত সেনা শিৰিৰৰ আতিথ্য গ্ৰহণ কৰি যুদ্ধৰ বাতৰি প্ৰচাৰ কৰিবলৈ সাংবাদিকসকলক মাতি নিছিল। তেওঁলোকৰ পৰিকল্পনা আছিল এখন পূৰ্ণাংগ যুদ্ধ চলি থকা এটা বিপদসংকুল পৰিৱেশৰ পৰা সাংবাদিকক বাতৰি পৰিৱেশন অভিজ্ঞতাৰ সোৱাদ দিয়া। সংবাদ প্ৰতিষ্ঠানবোৰে এই সুযোগ আনন্দেৰে গ্ৰহণ কৰিছিল আৰু বহুতো সাংবাদিকে অতিশয় প্ৰচাৰ লাভ কৰা এই যুদ্ধখনৰ সংবাদ গ্ৰাউণ্ড জিৰ'ৰ পৰা পৰিৱেশন কৰিছিল। সেই সময়ছোৱাত যুদ্ধৰ সংবাদ গ্ৰহণ আৰু প্ৰেৰণ কৰি থকা সাংবাদিকসকলে থকা-খোৱাৰ কোনো অসুবিধা পোৱা নাছিল; নিজৰ সংবাদ অত্যাধুনিক সামৰিক যোগাযোগ যন্ত্ৰৰ সহায়ত তৎমুহূৰ্ততে প্ৰেৰণ কৰাৰ সুযোগ পাইছিল, শিবিৰবোৰত সম্পূৰ্ণ সুৰক্ষা লাভ কৰিছিল আৰু যুদ্ধক্ষেত্ৰত অত্যাধুনিক সুৰক্ষা বাহনত উঠি ইঠাইৰ পৰা সিঠাইলৈ যোৱাৰ সুবিধা পাইছিল। এই সংবাদ পৰিৱেশন শৈলীক এচামে সমালোচনা কৰি কৈছিল যে ইমানবোৰ সা-সুবিধা উপভোগ কৰা সাংবাদিকসকলে যুদ্ধৰ পক্ষপাতিত্বমূলক বাতৰি পৰিৱেশন কৰাটো অসম্ভৱ কথা নহয়। যুদ্ধক্ষেত্ৰত থকা সাংবাদিকসকলে আতিথ্য প্ৰদানকাৰী পক্ষটোৰ প্ৰতি অলপ হ'লেও নৰম হ'ব। অথচ সাংবাদিকতাৰ নিয়ম মতে সাংবাদিকে কোনটো পক্ষৰ প্ৰতি প্ৰত্যক্ষ অথবা পৰোক্ষ পক্ষপাতিত্ব দেখুৱাব নোৱাৰে। এইটো কাৰণতে ইৰাক যুদ্ধৰ প্ৰায় সকলোবোৰ বাতৰিতে ইৰাকী সৈন্যবাহিনীৰ এখন নেতিবাচক ছবি দেখা পোৱা গৈছিল। আৰু ইয়াৰ ফলতেই 'আল-জজিৰা' নামৰ সংবাদ চেনেলটোৱে জনপ্ৰিয়তা অৰ্জন কৰিছিল। চেনেলটোৱে পক্ষপাতিত্বহীন বাতৰি পৰিৱেশন কৰাৰ লগতে মিত্ৰবাহিনীৰ আতিথ্য গ্ৰহণ কৰি যুগুত কৰা সংবাদবোৰৰ বিপৰীতে যুদ্ধৰ প্ৰকৃত ছবিখন দাঙি ধৰাৰ প্ৰয়াস কৰিছিল।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতীয় প্ৰেছ কাউন্সিল (PCI)ক দেশৰ বাতৰিকাকত আৰু সংবাদ এজেন্সীবোৰৰ তদাৰক কৰা তথা মান উন্নত কৰাৰ লগতে প্ৰেছৰ স্বাধীনতা ৰক্ষণাবেক্ষণ কৰাৰ গুৰু দায়িত্ব অৰ্পণ কৰা হৈছে (প্ৰেছ কাউন্সিল আইন, ১৯৭৮)। কাউন্সিলে আৰম্ভণিৰ পৰা আজিলৈকে বিগত দশকবোৰত নিজৰ দায়িত্ব সূচাৰুৰূপে পালন কৰি প্ৰত্যাশা কৰা মতেই আগবাঢ়ি আছে। ই সংবাদকৰ্মীৰ ওপৰত চলা নিগ্ৰহৰ অভিযোগবোৰ গুৰুত্ব সহকাৰে নিষ্পত্তি কৰাৰ প্ৰয়াস চলায়। লগতে সামগ্ৰিকভাৱে সংবাদ মাধ্যমৰ মান উন্নত কৰাৰ চেষ্টা কৰে। কাউন্সিলে কিছুমান বিশেষ ধৰমৰ অভিযোগহে সাধাৰণতে নিষ্পত্তি কৰাৰ চেষ্টা কৰে। কিন্তু মাজে-সময়ে ঘটনাৰ গুৰুত্ব বুজি 'স্ব-প্ৰেৰণা' (Suo Moto)ৰেও কিছুমান কাৰ্যব্যৱস্থা গ্ৰহণ কৰে। এনেবোৰ বিষয়ত কাউন্সিলে কেতিয়াবা কোনো অভিযোগ নাপাবও পাৰে। অৱশ্যে বহুতো সময়ত কাউন্সিলে কিছুমান সীমাবদ্ধতা পাৰ কৰিব নোৱাৰে। প্ৰেছ কাউন্সিল আইনৰ অধীনত কেৱল ছপা মাধ্যমকহে প্ৰেছ কাউন্সিলৰ বিচাৰ ক্ষমতাৰ অধীন কৰা হৈছিল। এই

আইনখন যুগুত কৰাৰ সময়, ভাৰতে স্বাধীনতা লাভ কৰাৰ আৰম্ভণিৰ কালছোৱাত দেশত কোনো বৈদ্যুতিন মাধ্যম নাছিল বাবেই এনে হৈছিল। পৰৱৰ্তী সময়ত টিভি, ৰেডিঅ' সংবাদ আৰু নৱ্য সংবাদ মাধ্যমৰ দৰে বৈদ্যুতিন সংবাদ মাধ্যমৰ বিকাশ ঘটিল যদিও এইবোৰ কাউন্সিলৰ এক্টিয়াৰ ক্ষমতাৰ বাহিৰত ৰৈ গ'ল। এনে পৰিস্থিতিত কাউন্সিলে নিজৰ দায়িত্ব সম্পূৰ্ণৰূপে পালন কৰাত ব্যৱহাৰিক সমস্যাৰ সন্মুখীন হৈছে। অৱশ্যে বৈদ্যুতিন আৰু নৱ্য সংবাদ মাধ্যমবোৰক কাউন্সিলৰ এক্টিয়াৰৰ অধীন কৰাৰ দাবী সজোৰে উত্থাপিত হৈ আহিছে। কিন্তু এই দাবী বাস্তৱত পৰিণত হওতে কিছু সময় লাগিব। অর্থাৎ পৰিস্থিতি উন্নত হোৱালৈ আমি কিছু অপেক্ষা কৰিব লাগিব। ইয়াৰ উপৰি এই অর্ধ-ন্যায়িক কর্তৃপক্ষটোৰ কোনো শাস্তি প্রদান কৰিব পৰা ক্ষমতা নাই বাবেও ই সমালোচনাৰ সন্মুখীন হৈ আহিছে। কাৰণ কিছুমান অভিযুক্ত পক্ষক ভৱিষ্যতৰ বাবে শিক্ষা দিবলৈ কিছু শাস্তিৰ প্রয়োজন বুলি বহুতে ভাবে। বর্তমানৰ জৰিমনা বিহা তথা ক্ষমা খোজা সুবিধাবোৰ সিমান শক্তিশালী নহয় বুলি এচামে মত পোষণ কৰে।

৫ নং প্রশ্নৰ উত্তৰ ঃ যিকোনো গণতান্ত্রিক ৰাষ্ট্রৰ বাবে ৰাজহুৱা ক্ষেত্রবোৰত সংবাদ মাধ্যমে পালন কৰা ভূমিকা অতি গুৰুত্বপূর্ণ। ইয়াৰ কাৰণ হ'ল পৃথিৱীত ঘটা যিকোনো ঘটনা সম্পর্কে জনসাধাৰণক অৱগত কৰোৱাৰ সবাতোকৈ ফলপ্রসূ আৰু সুবিধাজনক আহিলাবিধ হ'ল সংবাদ মাধ্যম। জনসাধাৰণে গুৰুত্বপূর্ণ বিষয় বুজাৰ ক্ষেত্রত বিভিন্ন পর্যায়ৰ বোধশক্তিৰে একৰূপতা প্রদর্শন কৰে। তেওঁলোকক ভাল-বেয়া দুয়োটা দিশ দেখুৱাই বিভিন্ন সমস্যাৰ কথা জনাব লাগে। তেতিয়াহে তেওঁলোকে প্রয়োজন সাপেক্ষে সঠিক সিদ্ধান্ত ল'ব পাৰে। সেয়েহে এটা কর্মোদ্যমী আৰু সক্রিয় সংবাদ মাধ্যমে তথ্যৰ উৎস আৰু জনগণৰ মাজত মধ্যস্থতাকাৰীৰ ভূমিকা পালন কৰে। ই তথ্যৰ সমতা ৰক্ষা কৰে। আজিকালি প্রায়েই 'তথ্যই শক্তি' বুলি কোৱা শুনা যায়। ইয়াৰ অর্থ হ'ল প্রাসংগিক তথ্যৰ সহায়ক আহৰণ কৰা জ্ঞানৰ স্থান সবাৰো ওপৰত। সেয়েহে জ্ঞানক সীমাবদ্ধ কৰি ৰাখিলে ই সমগ্র সমাজখনৰ সলনি মাত্র কেইজনমান লোককহে উপকৃত কৰিব। সেয়েহে গণতন্ত্রত সমাজৰ অতন্দ্র প্রহৰী আৰু বিবেকৰ ৰখীয়া হিচাপে সংবাদ মাধ্যমে অহর্নিশে কাম কৰি যাব লাগিব। য'তেই যি ঘটে সেয়া ৰাইজক বৈষম্যহীনভাৱে জনোৱাটো হ'ল সংবাদ মাধ্যমৰ দায়িত্ব। ই বিশেষকৈ গণতন্ত্রৰ অন্য স্তম্ভসমূহ, যেনে— চৰকাৰ, কার্যপালিকা, ন্যায়পালিকা আৰু বিধানসভাৰ বিষয়ে ৰাইজক অৱগত কৰে। ইয়াৰ উপৰি সমাজৰ সকলো কার্যকলাপৰ ওপৰত অহৰহ দৃষ্টি ৰাখি, সেইবোৰৰ বিষয়ে দায়িত্বসহকাৰে সংবাদ উপস্থাপন কৰি সংবাদ মাধ্যমবোৰে এক ধৰণৰ সামাজিক স্বচ্ছতাৰ সৃষ্টি কৰিব পাৰে। এই স্বচ্ছতাৰ ভেটিত গণতান্ত্রিক প্রক্রিয়া এটা দীর্ঘকাল বর্তি থাকিব পাৰে।

৪.৮ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন ঃ

প্রশ্ন নং ১ ঃ অভিব্যক্তি প্রকাশৰ স্বাধীনতাক আপুনি এটা মৌলিক মানৱীয় অধিকাৰ বুলি